**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-11-2024 **Time :** 1205 Hrs.

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহৰ সহযোগত নিৰ্বাচনী বিভাগে নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

ইপিনে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। চিৰাং জিলাৰ চিদলী সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কেবাজনো জ্যেষ্ঠ বিজেপি নেতাৰ লগতে ইউ পি পি এল দলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। আজি সমষ্টিটোত মন্ত্ৰী অশোক সিংহল, ডাঃ ৰণোজ পেগু আৰু নন্দিতা গাৰ্লোচাই প্ৰচাৰ অভিযান চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে সমষ্টিটোত কংগ্ৰেছ দলেও প্ৰচাৰ অভিযান চলাই আছে। আজি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব।

ধলাই সমষ্টিত কালি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই সমষ্টিটোৰ প্ৰাৰ্থীগৰাকীৰ হৈ পাঁচখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমান্তৰালকৈ সমষ্টিটোত বিজেপিয়ে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ধলাই সমষ্টিত বিজেপি প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ চলাব।

ইপিনে ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ দায়িত্বত নিয়োজিত কৰ্মচাৰীসকলে মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত নিৰ্বাচনৰ পৰৱৰ্তী সময়ছোৱাত বিশেষ ছুটী লাভ কৰিব বুলি প্ৰকাশ কৰা হৈছে। ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলক অহা ৬ আৰু ৮ নৱেম্বৰত এই ছুটীৰ সুবিধা আগবঢ়াইছিল। এই বিশেষ ছুটীৰ অধীনত কৰ্মচাৰীসকলক ৭ নৱেম্বৰ ষট পূজা, ৯ নৱেম্বৰ মাহৰ দ্বিতীয়টো শনিবাৰ আৰু ১০ নৱেম্বৰ দেওবাৰৰ দিনটো একেলগে সামৰি লোৱা হ'ব বুলি কোৱা হৈছিল। উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ ফলত সংশ্লিষ্ট সমষ্টিকেইটাৰ কৰ্মচাৰীসকলৰ বাবে এই ছুটী লোৱাত সমস্যা সৃষ্টি হোৱাৰ বাবে পৰৱৰ্তী সময়ত এই ছুটী প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ঝাৰখণ্ডত বিজেপি নেতৃত্বাধীন এন ডি এৰ প্ৰাৰ্থীৰ হৈ ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনী প্ৰচাৰৰ বাবে দুখন ৰেলীত ভাগ ল'ব। ঝাৰখণ্ডৰ বিজেপিৰ সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী বাবুলাল মাৰাণ্ডিয়ে কৈছে যে প্ৰধানমন্ত্ৰীয়ে গড়ৱাহত প্ৰথমখন ৰাজহুৱা সভা আৰু দুপৰীয়া প্ৰায় ৩ বজাত চাইবাছাত দ্বিতীয়খন সভাক সম্বোধন কৰিব। উল্লেখযোগ্য যে ঝাৰখণ্ডত নিৰ্বাচনী সময়সূচী ঘোষণা কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এইখন হ'ব প্ৰথমখন নিৰ্বাচনী ৰেলী। ৰাজ্যখনত অহা ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাষা গৌৰৱ সপ্তাহ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে, অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা উপলক্ষে ৰাজ্যজুৰি কালিৰেপৰা ভাষা গৌৰৱ সপ্তাহ উদযাপন

কৰা হৈছে। অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। গুৱাহাটীত কালি ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিপ্ৰাপ্তিৰ লগে লগে প্ৰতিজন অসমীয়াৰ ভাষাটোৰ প্ৰতি দায়িত্ব বাঢ়িল বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে নৱ প্ৰজন্মক ডিজিটেল পদ্ধতিৰে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত আগবাঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ বিজুলী কলিতা মেধি, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ তথা অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি আৰু গুৱাহাটীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

ইয়াৰ উপৰি ধুবুৰী, কৰিমগঞ্জ, বজালী, বৰপেটা, বাক্সা আৰু তামুলপুৰ, কাৰ্বি আংলং, গোলাঘাট, মাজুলী, শিৱসাগৰ, দৰং, তিনিচুকীয়া, মৰিগাঁও, শোণিতপুৰ আৰু নলবাৰী আদি জিলাতো বিভিন্ন কাৰ্যসূচীৰে ভাষা গৌৰৱ সপ্তাহ পালন কৰা হয়।

উল্লেখযোগ্য যে চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰাৰ কাৰ্যসূচীও আৰম্ভ কৰা হৈছে।

০০০০০০

ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ ড০ অৰবিন্দ পানাগাৰিয়াসহ এটা প্ৰতিনিধি দল আজি চাৰি দিনীয়া ভ্ৰমণসূচীলৈ নাগালেণ্ডলৈ যাব। প্ৰতিনিধি দলটোৱে ৰাজ্যখনৰ বিত্তিয় আঁচনি আৰু উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ পৰ্যালোচনা কৰিব। বিত্ত আয়োগৰ প্ৰতিনিধি দলটোৱে কহিমাত মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু তেওঁৰ মন্ত্ৰী সভাৰ সদস্য তথা আন আন বিশিষ্ট চৰকাৰী বিষয়াসকলকো সাক্ষাৎ কৰিব। দলটোৱে ইয়াৰ উপৰি বিভিন্ন ৰাজনৈতিক দল, স্থানীয় সংস্থা তথা বাণিজ্য আৰু উদ্যোগখণ্ডৰ প্ৰতিনিধিসকলৰ সৈতেও আলোচনা কৰিব।

০০০০০০

উত্তৰাখণ্ডৰ আলমোৰা জিলাত আজি এখন যাত্ৰীবাহী বাছ দ' খাৰৈত বাগৰি পৰাৰ ফলত ২৩ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে ভালেসংখ্যক লোক আহত হৈছে। সংবাদ মাধ্যমৰ তথ্য অনুসৰি গাৰোৱালৰ পৰা কুমাও অভিমুখে গৈ থকা বাছখন আলমোৰাৰ কুপি গাঁৱৰ সমীপত দুৰ্ঘটনাত পতিত হয়। প্ৰায় ৪০ জন যাত্ৰী থকা বাছখন ২০০ মিটাৰ দ' খাৰৈত বাগৰি পৰাৰ ফলত হতাহতৰ সংখ্যা বৃদ্ধি পাব বুলি আশংকা কৰা হৈছে। আৰক্ষী আৰু এছ ডি আৰ এফৰ জোৱানসকলে ইতিমধ্যে দূৰ্ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্য আৰম্ভ কৰিছে।

উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ সমবেদনা কৰিছে।

০০০০০০

**সমাপ্ত**